**2013**

ASSAMESE

( Major )

Paper : 3.1

**( Asamiya Bhasha )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰটো লিখা : ১×১০=১০

(ক) পৃথিৱীৰ সৰ্ববৃহৎ ভাষা পৰিয়ালটোৰ নাম কি?

(খ) প্ৰাচ্য বিদ্যাবিদ মেক্সমূলাৰে 'ভাৰত-ইউৰোপীয়' ভাষা-গোষ্ঠীক কি বুলি নামকৰণ কৰিছিল?

(গ) ভাৰত-ইউৰোপীয় ভাষা পৰিয়ালৰ ভাষাবোৰক 'কেন্তুম' আৰু 'সতম' শাখাত বিভক্ত কৰা ভাষাতত্ত্ববিদগৰাকীৰ নাম কি?

(ঘ) ভাৰতীয় আৰ্য ভাষাৰ ক্ৰমবিকাশৰ দ্বিতীয় বা মধ্য স্তৰটোৰ নাম কি?

(ঙ) ভাৰতীয় আৰ্যভাষাৰ প্ৰাচীনতম সাহিত্যিক ৰূপ কি ?

(চ) 'পালি' মধ্যভাৰতীয় আৰ্য বা প্ৰাকৃতৰ কোনটো স্তৰৰ ভাষা ?

(ছ) "অসমীয়া ভাষাৰ মূল মাগধী প্ৰাকৃত।" এই মতৰ সপক্ষে প্ৰামাণ্য যুক্তি আগবঢ়োৱা এজন ভাষাতত্ত্ববিদৰ নাম লিখা।

(জ) অসমত প্ৰচলিত অষ্ট্ৰিক ভাষাগোষ্ঠীৰ অন্তৰ্গত যি কোনো দুটা ভাষাৰ নাম লিখা।

(ঝ) 'কাৰ্বি' কোনটো ভাষাগোষ্ঠীৰ অন্তৰ্গত ভাষা ?

(ঞ) অসমীয়া ভাষাৰ এটি নৃগোষ্ঠীয় উপভাষাৰ নাম লিখা।

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) ভাৰত-ইউৰোপীয় ভাষা পৰিয়ালৰ যি কোনো দুটা ভাষাতাত্ত্বিক বৈশিষ্ট্য উল্লেখ কৰা।

(খ) মাগধী প্ৰাকৃতৰ অপভ্ৰংশৰ পৰা উদ্ভৱ হোৱা পূব ভাৰতৰ ভাষাকেইটা কি কি ?

(গ) অষ্ট্ৰিক ভাষাগোষ্ঠীৰ প্ৰধান শাখা দুটা কি কি ?

(ঘ) গোৱালপৰীয়া উপভাষাৰ দুটা আঞ্চলিক ৰূপৰ নাম লিখা।

(ঙ) অসমীয়া ভাষাৰ শব্দভাণ্ডাৰ চহকী কৰাত বিশেষ অৱদান আগবঢ়োৱা আৰ্য-ভিন্ন পৰিয়ালৰ অন্তৰ্গত দুটা ভাষাৰ নাম লিখা।

৩। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ভাৰত-ইউৰোপীয় ভাষা পৰিয়ালৰ কোনটো শাখাৰ লগত অসমীয়া ভাষাৰ সম্বন্ধ আছে? সেই শাখাটোৰ চমু পৰিচয় দাঙি ধৰা।

(খ) মাগধী প্ৰাকৃত বা মাগধী অপভ্ৰংশৰ কোনবোৰ বৈশিষ্ট্যৰ লগত অসমীয়া ভাষাৰ সম্পৰ্ক আছে, বিচাৰ কৰা।

(গ) প্ৰাকৃত নামৰ তাৎপৰ্য বিচাৰ কৰি প্ৰাকৃত ভাষাৰ স্তৰ-বিভাজন কৰা।

(ঘ) কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপসমূহৰ বিষয়ে চমুকৈ লিখা।

(ঙ) অসমীয়া ভাষাত তিব্বত-বৰ্মীয় ভাষাৰ উপাদান সম্পৰ্কে চমুকৈ লিখা।

(চ) অসমীয়া ভাষাত বিদেশী শব্দৰ ব্যৱহাৰ সম্পৰ্কে লিখা।

৪। (ক) প্ৰাচীন ভাৰতীয় আৰ্যভাষা কোনটো ভাষাগোষ্ঠীৰ অন্তৰ্গত? এই ভাষাগোষ্ঠীটোৰ আদিম বাসস্থান সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

(খ) ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ স্তৰকেইটা উল্লেখ কৰি প্ৰতিটো স্তৰৰ বিষয়ে চমুকৈ লিখা।

৫। (ক) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ পৰা পালি-প্ৰাকৃত-অপভ্ৰংশৰ বিকাশ কেনেদৰে হৈছিল ? নিদৰ্শনসহ আলোচনা কৰা। ১

*অথবা*

(খ) 'সাহিত্যিক প্ৰাকৃত' বুলিলে কি বুজা ? ই কেইবিধ আৰু কি কি ? যি কোনো দুবিধ সাহিত্যিক প্ৰাকৃতৰ ভাষাগত বৈশিষ্ট্য উদাহৰণসহ বিৱৰি লিখা। ২+২+৩+৩=১

৬। (ক) অসমীয়া ভাষাৰ উৎপত্তি বিচাৰত সংস্কৃত বা প্ৰাচীন ভাৰতীয় আৰ্যভাষা, প্ৰাকৃত বা মধ্যভাৰতীয় আৰ্যভাষা নে থলুৱা (কামৰূপী) ভাষাৰ গুৰুত্ব অধিক, সেই সম্পৰ্কে পণ্ডিতসকলৰ মতামতসমূহ বিচাৰ কৰি এটি টোকা যুগুত কৰা। ১

*অথবা*

(খ) "বিভিন্ন আৰ্য-ভিন্ন ভাষাৰ সাগৰৰ মাজত অসমীয়া এটা সৰু দ্বীপ।" এই কথাষাৰৰ আলমত অসমীয়া ভাষাত আৰ্য-ভিন্ন ভাষা পৰিয়ালৰ ভিন ভিন ভাষাৰ অৱদান সম্পৰ্কে সবিশেষ লিখা।

৭। (ক) অসমীয়া শব্দমালাৰ উৎসসমূহ উল্লেখ কৰা আৰু সেই সেই উৎসৰ পৰা অহা শব্দৰ উপযুক্ত উদাহৰণেৰে এটি টোকা যুগুত কৰা। ৫+৫=১

*অথবা*

(খ) ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু শব্দমালাৰ দিশত মান্য অসমীয়া ভাষাৰ লগত থকা কামৰূপী উপভাষাৰ পাৰ্থক্যসমূহ উদাহৰণসহ আলোচনা কৰা। ১

★★★